**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 22-MAY-2026
**Time :** 1715 HRS

***Assamese Evening Bulletin***
**Headlines**
**-------------------**

ooooo

১। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ ভাষণেৰে ষোড়শ অসম বিধানসভাৰ প্ৰথমখন অধিৱেশনৰ আজি দ্বিতীয় দিনাৰ কাৰ্যক্ৰমণিকা আৰম্ভ।

২। উৎকোচ লৈ হাতে-লোতে গ্ৰেপ্তাৰ হোৱা অসম অসামৰিক সেৱাৰ বিষয়া লাচিত কুমাৰ দাসৰ বাসগৃহত দুৰ্নীতি নিৰীক্ষণ আৰু নিবাৰণ সঞ্চালকালয়ৰ অভিযান।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কাইলৈ ৫১ হাজাৰৰো অধিক যুৱক-যুৱতিক নিয়োগ পত্ৰ বিতৰণ।

**আৰু**

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি ছানৰাইজাৰ্ছ হাইদৰাবাদ আৰু ৰয়েল চেলেঞ্জাৰ্চ বাংগালুৰুৰ মুখামুখি।

ooooo

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ ভাষণেৰে ষোড়শ অসম বিধানসভাৰ প্ৰথমখন অধিৱেশনৰ আজি দ্বিতীয় দিনাৰ কাৰ্যক্ৰমণিকা আৰম্ভ হয়। ৰাজ্যপালগৰাকীয়ে ভাষণৰ আৰম্ভণিতে বিধানসভাৰ নৱ-নিৰ্বাচিত অধ্যক্ষ ৰঞ্জিত কুমাৰ দাসক অভিনন্দন জনায়। শ্ৰীদাসে তেওঁৰ দীৰ্ঘদিনীয়া অভিজ্ঞতাৰে জনসাধাৰণৰ স্বাৰ্থত সদনৰ গৰিমা আৰু ঐতিহ্য বৰ্তাই ৰাখিব বুলি ৰাজ্যপালগৰাকীয়ে আস্থা ব্যক্ত কৰে। অসমীয়াত প্ৰদান কৰা এই ভাষণত তেওঁ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাকে ধৰি নৱ-নিৰ্বাচিত বিধায়কসকলক শুভেচ্ছা জনায়।

(বাইট-ৰাজ্যপাল)

ৰাজ্যপালগৰাকীয়ে আমেৰিকা যুক্তৰাষ্ট্ৰ-ইজৰাইল-ইৰানৰ সংঘৰ্ষৰ ফলত উদ্ভৱ হোৱা পৰিস্থিতিৰ বাবে ল'বলগীয়া ব্যয় সংকোচনৰ ব্যৱস্থা, সীমান্ত সুৰক্ষা আৰু অনুপ্ৰৱেশৰ সৈতে জড়িত বিভিন্ন বিষয়ে আজিৰ ভাষণত উল্লেখ কৰে। শ্ৰী আচাৰ্যই কয়, যে ৰাজ্য চৰকাৰে উমৈহতীয়া দেৱানী বিধি ৰূপায়নৰ বাবে কাম কৰি যাব। বিশেষকৈ ৰাজ্যখনৰ জনজাতীয়, খিলঞ্জীয়া আৰু অন্যান্য সুৰক্ষিত সম্প্ৰদায়ৰ পৰিচয়, ভূমি অধিকাৰ, নিৰাপত্তা আৰু সাংবিধানিক স্বাৰ্থ সুৰক্ষিত কৰিবলৈ চৰকাৰ দৃঢ় প্ৰতিজ্ঞ। পূৰ্বে গ্ৰহণ কৰা সিদ্ধান্তমূলক ব্যৱস্থাক ভিত্তি কৰি অহা পাঁচ বছৰত খিলঞ্জীয়াৰ অধিকাৰ আৰু জনসংখ্যাৰ সুৰক্ষাৰ বাবে আইনী তথা প্ৰশাসনিক পৰিকাঠামো অধিক শক্তিশালী কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা হ'ব। চৰকাৰে জনজাতীয় আৰু খিলঞ্জীয়া লোকসকলৰ পৰম্পৰাগত ৰীতি-নীতি আৰু সামাজিক প্ৰতিষ্ঠানসমূহক সম্পূৰ্ণ ৰূপে সুৰক্ষিত কৰি উমৈহতীয়া দেৱানী বিধি প্ৰণয়ন আৰু কাৰ্যকৰী কৰাৰ দিশত কাম কৰিব বুলিও ৰাজ্যপালগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে সীমান্তৰ সুৰক্ষা উন্নত কৰাৰ লগতে অনুপ্ৰৱেশ নিয়ন্ত্ৰণ কৰাৰ বাবে ৰাজ্য চৰকাৰে কেন্দ্ৰীয় আৰু

পশ্চিমবংগৰ চৰকাৰৰ সৈতে একেলগে কাম কৰিব। শ্ৰী আচাৰ্যই নতুন চৰকাৰে  ২ লাখ চাকৰি প্ৰদান, অধিক বিনিয়োগ আকৰ্ষণ আৰু ৰাজ্যত বিদ্যুতৰ উৎপাদন বৃদ্ধিৰ বাবে কাম কৰিব বুলিও উল্লেখ কৰে।

ৰাজ্যপালগৰাকীয়ে লগতে বিগত ৫ বছৰত দখলিকৃত চৰকাৰী ভূমি আৰু বনাঞ্চল দখলমুক্ত কৰাৰ বাবে চলোৱা উচ্ছেদ অভিযান  আগলৈও অব্যাহত থাকিব বুলি জানিবলৈ দিয়ে। ৰাজ্যত বান সমস্যা দূৰ কৰাৰ বাবে ১৮ হাজাৰ কোটি টকা আবণ্টন দিয়া হ'ব বুলি ৰাজ্যপাল আচাৰ্যই আশ্বাস দিয়ে। তেওঁ কয়, যে ৰাজ্যখনলৈ শান্তি আৰু সুস্থিৰতা ঘূৰি আহিছে আৰু মাত্ৰ ৩ খন জিলাক বাদ দি সমগ্ৰ ৰাজ্যৰ পৰা সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইন প্ৰত্যাহাৰ কৰা হৈছে। বিগত সময়ছোৱাত কেইবাখনো শান্তি চুক্তি আৰু বুজাবুজিৰ চুক্তি সম্পাদিত হোৱা বুলি উল্লেখ কৰি ৰাজ্যপালগৰাকীয়ে কয়, যে ১০ হাজাৰতকৈ অধিক উগ্ৰপন্থীৰ সদস্য মূল সুঁতিলৈ ঘূৰি আহিছে। তেওঁ নিষিদ্ধ ঘোষিত আলফা স্বাধীনৰ সদস্যসকলক হিংসাৰ পথ পৰিহাৰ কৰি আলোচনাৰ মেজলৈ আহিবলৈ আহ্বান জনায়। ৰাজ্যখনে অৰ্থনৈতিক প্ৰগতিৰ ক্ষেত্ৰত উল্লেখযোগ্য সাফল্য অৰ্জন কৰা বুলি উল্লেখ কৰি শ্ৰী আচাৰ্যই কয়, যে বিগত পাঁচ বছৰত অসমৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন প্ৰায় ১৬ শতাংশৰ বাৰ্ষিক চক্ৰবৃদ্ধি হাৰত বাঢ়িছে। ২০২৮-২৯ বৰ্ষৰ ভিতৰত অৰ্থনীতি ১০ লাখ কোটি টকালৈ বৃদ্ধি পোৱাৰ দিশে অসম অগ্ৰসৰ হৈছে বুলি তেওঁ মন্তব্য কৰে। তেওঁ কয়, যে জনমূৰি আয়ো দুগুণতকৈ বৃদ্ধি পাইছে আৰু মূলধনী ব্যয় ২০২৫-২৬ বৰ্ষত ২৬ হাজাৰ ৫৩১ কোটি টকালৈ বৃদ্ধি পাইছে। ৰাজ্যপালৰ ভাষণ চলি থকাৰ সময়তে বিৰোধী  কংগ্ৰেছ দলৰ সদস্যসকলে সদন ত্যাগ কৰে আৰু সদনৰ বাহিৰত মূল্যবৃদ্ধিৰ বিৰুদ্ধে হাতে হাতে প্লেকাৰ্ড লৈ প্ৰতিবাদ সাব্যস্ত কৰে।

ৰাজ্যপালৰ ভাষণৰ পাছত অধ্যক্ষই সদনৰ কাম-কাজ ৪৫ মিনিটৰ বাবে বিৰতি ঘোষণা কৰে। ইয়াৰ পাছতে শাসকীয় দলৰ বিধায়ক বিশ্বজিৎ ফুকনে ৰাজ্যপালৰ ভাষণ সন্দৰ্ভত ধন্যবাদসূচক প্ৰস্তাৱ উত্থাপন কৰে। বিধায়ক সুশান্ত বৰগোহাঁয়ে এই প্ৰস্তাৱৰ প্ৰতি সমৰ্থন জনায়। অধ্যক্ষই ইয়াৰ পাছতে সদনৰ কাৰ্যক্ৰমণিকা ২৫ মে'লৈ স্থগিত ঘোষণা কৰে।

ooooo

উৎকোচ লৈ হাতে-লোতে গ্ৰেপ্তাৰ হোৱা ভূমিলেখ আৰু জৰীপ অধিকৰ্তা কাৰ্যালয়ৰ সহকাৰী সঞ্চালক আৰু অসম অসামৰিক সেৱাৰ বিষয়া লাচিত কুমাৰ দাসৰ বেলতলা তিনিআলিৰ ৰানী বাগানৰ বাসগৃহৰ পৰা দুৰ্নীতি নিৰীক্ষণ আৰু নিবাৰণ সঞ্চলকালয়ে মুঠ ৪৮ লাখ ৩৮ হাজাৰ ১৫০ টকা মূল্যৰ নগদ ধন জব্দ কৰিছে।  ইযাৰ লগতে দলটোৱে দাসৰ ঘৰৰ পৰা ৯টা বেংক একাউণ্টত জমা ৰখা ৮০ লাখ টকা ফিক্স ডিপ'জিটৰ ৰচিদ, প্ৰায় আধা কেজি ওজনৰ অলঙ্কাৰ, জীৱন বিমাৰ পলিচিকৈ ধৰি ভালেখিনি নথি-পত্ৰ আৰু সামগ্ৰী জব্দ কৰে। দুৰ্নীতি নীৰিক্ষণ আৰু নিবাৰণ সঞ্চালকালয়ৰ অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান সুৰেন্দ্ৰ কুমাৰে আজি এখ সংবাদমেলত অভিযুক্ত দাসৰ বাসগৃহত চলোৱা অভিযান সন্দৰ্ভত সবিশেষ সদৰি কৰে।

(VC - PTC GHY)

শ্ৰী কুমাৰে উৎকুচ লোৱা সন্দৰ্ভত এটা গোচৰ ৰুজু কৰাৰ লগতে অভিযুক্ত দাসৰ বিৰুদ্ধে আয়তকৈ অধিক সম্পত্তি অৰ্জনৰো এটা পৃথক গোচৰ ৰুজু কৰা হ'ব বুলি জানিবলৈ দিয়ে। চলিত বৰ্ষত ৪ জনকৈ উচ্চপদস্থ চৰকাৰী বিষয়া উৎকুচ লৈ গ্ৰেপ্তাৰ হেৱাৰ তথ্য সদৰি কৰি তেওঁ কয় যে ৰাজ্য চৰকাৰৰ দুৰ্নীতি

বিৰোধী আপোচহীন নীতি অনুযায়ী দুৰ্নীতি নিৰীক্ষণ আৰু নিবাৰণ সঞ্চালকালয়ে দুৰ্নীতিৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ ভি ডি অ' কনফাৰেন্সিং ব্যৱস্থাৰ মাধ্যমেৰে ১৯ সংখ্যক নিয়োগ মেলাৰ জৰিয়তে বিভিন্ন চৰকাৰী বিভাগ আৰু সংস্থাত ৫১ হাজাৰৰো অধিক যুৱক-যুৱতীক নিযুক্তি পত্ৰ বিতৰণ কৰিব। ইয়াৰ পূৰ্বে দেশজুৰি আয়োজিত ১৮ খন নিয়োগ মেলাৰ জৰিয়তে দেশৰ প্ৰায় ১৮ লাখ যুৱক-যুৱতীক নিযুক্তি পত্ৰ বিতৰণ কৰা হয়। কাইলৈ এই নিয়োগ মেলা দেশৰ ৪৭ টা স্থানত অনুষ্ঠিত হ'ব। দেশৰ সকলো প্ৰান্তৰ পৰা নিৰ্বাচিত প্ৰাৰ্থীসকলে ৰে'ল মন্ত্ৰ্যালয়, বিত্তীয় সেৱা বিভাগ, গৃহ মন্ত্ৰ্যালয়, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰ্যালয়, উচ্চ শিক্ষা বিভাগকে ধৰি কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন বিভাগত যোগদান কৰিব।

ooooo

কৰ্কট ৰোগৰ চিকিৎসা অধিক শক্তিশালী আৰু ৰোগীসকলৰ বাবে এই চিকিৎসা সহজলভ্য কৰি তোলাৰ লক্ষ্যৰে কৰিমগঞ্জ অসামৰিক চিকিৎসালয়ত কেম' থেৰাপি ইউনিট আজিৰ পৰা আৰম্ভ কৰা হৈছে। এই ইউনিট অসম কেন্সাৰ কেয়াৰ ফাউণ্ডেচন আৰু টাটা কেন্সাৰ হাস্পতাল, শিলচৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ সহযোগিতা আৰু কাৰিকৰী নিৰ্দেশনাত কাৰ্য্যকৰী কৰা হৈছে। চাৰিখন বিচনাযুক্ত এই ইউনিটত সম্পূৰ্ণ বিনমূলীয়াকৈ চিকিৎসা সেৱা আগবঢ়োৱা হ'ব। টাটা কেন্সাৰ হাস্পতাল, শিলচৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ বিশেষজ্ঞ চিকিৎসকৰ তত্বাৱধানত প্ৰথম কেম' থেৰাপিৰ চিকিৎসা প্ৰদান কৰা হ'ব। পৰৱৰ্তী চিকিৎসা কৰিমগঞ্জ অসামৰিক চিকিৎসালৰ কেম' থেৰাপি ইউনিটত প্ৰদান কৰা হ'ব। এই ইউনিটত প্ৰশিক্ষণপ্ৰাপ্ত পেৰামেডিকেল কৰ্মীসকলে কেম' থেৰাপি প্ৰদান কৰাৰ লগতে ৰোগী পৰ্য্যবেক্ষণ আৰু নিৰ্ধাৰিত চিকিৎসা সেৱা আগবঢ়াব। কেম' থেৰাপিৰ সময়ত আৰু কেম' থেৰাপিৰ পাছত ৰোগীসকলক পৰ্য্যবেক্ষণ কৰি প্ৰয়োজনীয় ব্যৱস্থা এই ইউনিটতেই গ্ৰহণ কৰা হ'ব।

ooooo

ৰাজহ চোৰাংচোৱা সঞ্চালকালয় ডি আৰ আইৰ গুৱাহাটী আঞ্চলিক গোটে কালি আৰু সপ্তাহটোৰ আৰম্ভণিতে চলোৱা অভিযানত প্ৰায় ৬০ কিলোগ্ৰাম বিদেশৰ পৰা সৰবৰাহ কৰা চোৰাং চুপাৰী জব্দ কৰে। ডি আৰ আয়ে মিজোৰাম আৰু অসমত চলোৱা অভিযানত এই চুপাৰীসমূহ জব্দ কৰা হয়। উল্লেখযোগ্য যে, ম্যানমাৰ-মিজোৰাম সীমান্তৰ মাজেৰে ম্যানমাৰৰ পৰা ভাৰতলৈ এই চুপাৰীসমূহ সৰবৰাহ কৰা হৈছিল। এই অভিযানত বৰ্তমানলৈ ৫ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি হায়দৰাবাদত হ'বলগীয়া এখন খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালুৰু ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত যোৱা নিশা আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত গুজৰাট টাইটানছে চেন্নাই ছুপাৰ কিংছক ৮৯ ৰানত পৰাস্ত কৰে।

ooooo

সমাপ্ত